# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-09-2024
**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

ৰাজ্য চৰকাৰে ১৫ ছেপ্তেম্বৰত সমগ্ৰ ৰাজ্যতে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষা পাতিবলৈ যোজা প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। অন্যান্য জিলাৰ লগতে যোৰহাট জিলাতো পৰীক্ষাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। জিলাখনত ১৩৩ টা পৰীক্ষা কেন্দ্ৰত ৫৫ হাজাৰ ৫০৯ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষা কেন্দ্ৰসমূহত নিৰাপত্তাৰ বাবে চাৰি বেৰ আৰু পৰীক্ষাৰ্থীসকলৰ সুবিধাৰ্থে কোঠাসমূহ সাজু কৰি তোলা হৈছে। আজি জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকে জিলাখনৰ পশ্চিম চক্ৰৰ পৰীক্ষা কেন্দ্ৰসমূহ পৰিদৰ্শন কৰি পৰীক্ষাৰ প্ৰস্তুতিৰ বুজ লয়। আনহাতে সোণিতপুৰ জিলা প্ৰশাসনে পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে নিয়ন্ত্ৰণ কক্ষ স্থাপনৰ দিহা কৰিছে। ১৫ ছেপ্তেম্বৰৰ দিনা তেজপুৰৰ ডি ডি এম এ কনফাৰেন্স হ'লৰ পৰা পৰিচালিত হ'বলগীয়া নিয়ন্ত্ৰণকক্ষলৈ পৰীক্ষাৰ্থীসকলে সহায়ৰ বাবে যোগাযোগ কৰিব পাৰিব। নিয়ন্ত্ৰণ কক্ষৰ বাবে ৯৪৩৫৩ ৭১৬৭২ আৰু ০৩৭১২ ২৬১০০০ নম্বৰ মুকলি কৰা হৈছে।

আনহাতে, ডিব্ৰুগড় জিলাত অহা ১৫ আৰু ২৯ ছেপ্তেম্বৰৰ লগতে ২৭ অক্টোবৰত ৬৯টা পৰীক্ষা কেন্দ্ৰত হ'বলগীয়া প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে যাতে অনুষ্ঠিত হয়, তাৰবাবে জিলা দণ্ডাধীশে অহা ১৫, ২৯ ছেপ্তেম্বৰ আৰু ২৭ অক্টোবৰত জিলাখনৰ আটাইকেইটা কেন্দ্ৰত প্ৰযোজ্য হোৱাকৈ ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ২০২৩ৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ বাধা আৰোপ কৰিছে।

০০০০০০০

অনলাইন ট্ৰেডিং কেলেংকাৰী গোচৰত জড়িত চুমি বৰা আৰু তাৰ্কিক বৰাক আৰক্ষীয়ে গ্ৰেপ্তাৰৰ পাছত পোনে পোনে থানালৈ নিয়াৰ পৰিৱৰ্তে ডিব্ৰুগড় জিমখানালৈ লৈ যোৱা আৰু সেই স্থানত এটা ব্যক্তিগত চেনেলে সাক্ষাৎকাৰ লোৱা বিষয় সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তদন্তৰ নিৰ্দেশ দিছে। একেটা বিষয় সন্দৰ্ভত আৰক্ষী সঞ্চালক প্ৰধানৰ সৈতেও মুখ্যমন্ত্ৰীয়ে আলোচনা কৰা বুলি প্ৰকাশ কৰিছে।

আনহাতে, ৰাজ্যৰ বিৰোধী ঐক্যমঞ্চই অনলাইন ট্ৰেডিং কেলেংকাৰী সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ এগৰাকী ন্যায়াধীশৰ তত্বাৱধানত চি বি আইৰ তদন্ত দাবী কৰিছে। আজি গুৱাহাটীত আয়োজিত এখন সংবাদমেলত বিৰোধী ঐক্যমঞ্চৰ নেতা লুৰিণজ্যোতি গগৈ, অজিত ভূঞা আৰু ৰকিবুল হুছেইনে এই দাবী উত্থাপন কৰে। নেতাকেইগৰাকীয়ে এই কেলেংকাৰীৰ অভিযোগত জড়িত থকা লোকসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনোৱাৰ লগতে সাধাৰণ ৰাইজে যাতে ধন ওভোতাই পায়, তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা কৰিবলৈও দাবী জনাইছে। এই গোচৰত অভিযুক্তসকলক চৰকাৰে আতিথ্য প্ৰদান কৰা বুলিও তেওঁলোকে অভিযোগ উত্থাপন কৰে। ঘটনা সন্দৰ্ভত অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে তদন্ত অব্যাহত ৰাখিছে।

ইপিনে, অনলাইন ট্ৰেডিং গোচৰৰ অভিযুক্ত চুমি বৰা আৰু তেওঁৰ স্বামী তাৰ্কিক বৰাক ডিব্ৰুগড় আৰক্ষীয়ে জিম্মাত লোৱাৰ পাছত তেওঁলোকক সোধা-পোছা কৰি আছে। ইয়াৰ লগতে কালি গুৱাহাটী আৰক্ষীয়ে বৰঝাৰৰ গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত আন দুগৰাকী অবৈধ ধন লেনদেন কাৰ্যৰ

অভিযুক্ত মাইনাও ব্ৰহ্ম আৰু দীপাংকৰ ভট্টক গ্ৰেপ্তাৰ কৰি মুছলপুৰ আৰক্ষীয়ে সম্প্ৰতি নিজৰ জিম্মাত ৰাখি জেৰা অব্যাহত ৰাখিছে।

০০০০০০০০

সোণাপুৰৰ কচুতলিত কালি সৃষ্টি হোৱা অনাহূত পৰিস্থিতি সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে, ঠাইখনত বে-আইনীভাৱে বসতি স্থাপন কৰাৰ আঁৰত এটা দালাল চক্ৰই কাম কৰি থকাৰ তথ্য পোহৰলৈ আহিছে। প্ৰশাসনে অতি সোনকালেই দালাল চক্ৰটোক চিনাক্ত কৰি প্ৰয়োজনীয় ব্যৱস্থা ল'ব। লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, জনজাতিয় লোকসকলৰ ভূমি সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে আপোচ নকৰে। আইনী প্ৰক্ৰিয়াৰে উচ্ছেদ চলাই যোৱা হ'ব। আনহাতে ট্ৰাইবেল বেল্ট এণ্ড ব্লক আইনখন কংগ্ৰেছ চৰকাৰে প্ৰৱৰ্তন কৰা বুলি উল্লেখ কৰি কয় যে, কচুতলীত কংগ্ৰেছ দলে সভাপাতি বেদখলকাৰীক উচতনি দিছিল।

০০০০০০০০

মৰিগাওঁৰ ঘনকান্ত বৰুৱা মহাবিদ্যালয়ত আজি এটা অত্যাধুনিক পুথিভঁড়ালৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্য চৰকাৰৰ ভৈয়াম জনজাতি উন্নয়ন নিগমৰ অধ্যক্ষ তথা মৰিগাওঁৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে আধাৰশিলা স্থাপন কৰে। ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে পুথিভঁড়ালটোৰ নিৰ্মাণৰ বাবে ডেৰ কোটি টকা আৱণ্টন দিছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত  ভাষণ দি বিধায়ক দেউৰীয়ে মহাবিদ্যালয়খনত শীঘ্ৰেই ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী এন চিচিৰ এটা গোট আৰু এটা চাইকেল ষ্টেণ্ড নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে। আধাৰশিলা স্থাপন অনুষ্ঠানত মৰিগাওঁৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাকে ধৰি বহুকেইগৰাকী  বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশ মতে অন্যান্য জিলাসমূহৰ লগতে মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত কাইলৈ ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। এই লোক আদালতত বিভিন্ন আপোচযোগ্য ফৌজদাৰী গোচৰ, বিবাহজনিত গোচৰ, চেক বাউন্সৰ গোচৰ, যান-বাহন আইন ১৯৮৮ অধীনৰ গোচৰসমূহ নিষ্পত্তিৰ দিহা কৰা হৈছে। তদুপৰি বিভিন্ন বেংকৰ ঋণ আদায়, বিজুলী বিল আদায় সম্বন্ধীয়, বি-এছ্-এন-এলৰ বিল গোচৰ সম্বন্ধীয় প্ৰাক মোকৰ্দমা গোচৰসমূহো মীমাংসাৰ বাবে লোৱা হ'ব। মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ অধ্যক্ষ আৰু সচিবে মাজুলীবাসীক এই ৰাষ্ট্ৰীয় লোক আদালতত অংশগ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে। বিতং তথ্যৰ বাবে মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ কাৰ্যালয় সমন্বয়কৰ ফোন নম্বৰ ৮৬৩৮০-২৮৮৭১ অথবা কাৰ্যালয়ৰ মেইলত যোগাযোগ কৰিব পাৰে।

০০০০০০০০

**সমাপ্ত**